জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৯১/২০২২

## টিকক কয়লাখনিত খনন কাৰ্য পুনৰ আৰম্ভ

## উন্নয়ন আৰু পৰিৱেশৰ মাজত ভাৰসাম্য বৰ্তাই ৰাখিবলৈ ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৬ মাৰ্চ ঃ** ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশত নতুন গতি প্ৰদান কৰি কেন্দ্ৰীয় কয়লা, খনিজ আৰু সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতে তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাৰ উত্তৰ পূৰ্বাঞ্চল কয়লাক্ষেত্ৰ (এন ই চি)ৰ টিকক কয়লাখনিত খনন কাৰ্যৰ পুনৰ আৰম্ভ কৰে।

উল্লেখ্য যে কেতবোৰ পাৰিপাৰ্শ্বিক কাৰণত ২০২০ চনত উত্তৰ পূৰ্বাঞ্চল কয়লাক্ষেত্ৰত খনন কাৰ্য স্থগিত কৰা হৈছিল। প্ৰতি বছৰে ৪ লাখ টন কয়লা উৎপাদন ক্ষমতাৰে দুটা মুক্তখনন প্ৰকল্প ক্ৰমে টিকক অচিপি আৰু টিকক সম্প্ৰসাৰিত অচিপিৰ জৰিয়তে উত্তৰ পূৰ্বাঞ্চল কয়লাক্ষেত্ৰই মাৰ্ঘেৰিটাৰ টিকক কয়লাখনিত সম্প্ৰতি কয়লা খনন কৰিব।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই টিকক কয়লাখনিত খনন কাৰ্য পুনৰ আৰম্ভ কৰাৰ বাবে কেন্দ্ৰীয় কয়লা আৰু খনিজ মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে লোৱা পদক্ষেপৰ বাবে তেখেতক ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভূমিকাক প্ৰশংসা কৰি কয় যে অঞ্চলটোৰ বিকাশৰ বাবে প্ৰধানমন্ত্ৰীৰ দৃষ্টিভংগী আৰু সুপৰিকল্পিত পদক্ষেপে আজি উত্তৰ-পূব কয়লাক্ষেত্ৰত পুনৰ খনন সম্ভৱ কৰি তুলিছে।

টিকক কয়লাখনিত খনন কাৰ্য পুনৰ আৰম্ভ হোৱাৰ লগে লগে ৰাজ্য চৰকাৰে বিধান সভা নিৰ্বাচনৰ পূৰ্বে জনসাধাৰণক দিয়া আন এটা প্ৰতিশ্ৰুতি পূৰণ কৰিবলৈ সমৰ্থ হ'ল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে উন্নয়ন আৰু পৰিৱেশৰ সৈতে ভাৰসাম্য বৰ্তাই ৰাখিবলৈ অসম চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰকৃতি আৰু উন্নয়নৰ মাজৰ ভাৰসাম্য বৰ্তাই ৰাখিয়েই টিকক কয়লাখনিত খনন কাৰ্য পুনৰ আৰম্ভ কৰা হৈছে।

উত্তৰ পূৰ্বাঞ্চল কয়লাক্ষেত্ৰত কাম-কাজ আৰম্ভ কৰাৰ বাবে এই ক্ষেত্ৰত দেখা দিয়া পাৰিপাৰ্শ্বিক আৰু অন্যান সমস্যা সমাধান কৰাৰ দিশত ৰাজ্য চৰকাৰে ক'ল ইণ্ডিয়া লিমিটেডক সকলো ধৰণৰ সহযোগিতা

প্ৰদান কৰিছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আজিৰ এই কাৰ্যসূচী তেনে প্ৰচেষ্টাৰ ফল।

টিকক কয়লাখনিত পুনৰ খনন কাৰ্য আৰম্ভ কৰাৰ ক্ষেত্ৰত ক'ল ইণ্ডিয়া কৰ্তৃপক্ষ, কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই সমন্বিত প্ৰচেষ্টাৰ ফলপ্ৰসূ সমাধানে নিয়োগৰ ক্ষেত্ৰত নতুন বাট মুকলি কৰিব। তেওঁ লগতে কয় যে অঞ্চলটোৰ আৰ্থ-সামাজিক উন্নয়নৰ দিশতো এই পদক্ষেপে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

অনুষ্ঠানত কেন্দ্ৰীয় কয়লা, খনিজ আৰু সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী প্ৰহ্লাদ যোশী, কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে ভাষণ প্ৰদান কৰে।

চিআইএলৰ অধ্যক্ষ প্ৰমোদ আগৰৱালাই আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত ৰাজ্য চৰকাৰৰ খনি আৰু খনিজ সম্পদ বিভাগৰ মন্ত্ৰী যোগেন মহন আৰু মাৰ্ঘেৰিটা সমষ্টিৰ বিধায়ক ভাস্কৰ শৰ্মা প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**বীঃগঃ / পুঃডেঃ**
**২৬-০৩-২০২২**